## প্ৰকৃতি (Prakriti) :-

সাংখ্য দৰ্শন দ্বৈতবাদী দৰ্শন। এই দৰ্শনত প্ৰকৃতি আৰু পুৰুষ নামৰ দুটা সত্তাক বিশ্বাস কৰা হয়। আৰু সমগ্ৰ বিশ্বজগতৰ ব্যাখ্যা এই দুটা তত্ত্বৰ সহায়ত আগবঢ়োৱা হয়। সাংখ্য দৰ্শনৰ প্ৰকৃতি তত্ত্বৰ ভিত্তি হৈছে সাংখ্য কাৰ্যকাৰণতত্ত্ব বা পৰিণামবাদী সৎকাৰ্যবাদ। সাংখ্য দৰ্শন অনুসৰি সমগ্ৰ বিশ্বজগত যি মূল কাৰণৰ পৰা উৎপত্তি হৈছে সি হ'ল প্ৰকৃতি।

প্ৰকৃতিক যদি আন কোনো কাৰণৰ ওপৰত নিৰ্ভৰশীল বুলি ধৰা হয়। তেন্তে অনৱস্থা দোষৰ উৎপত্তি হয়। জড়বস্তুৰ পৰা আৰম্ভ কৰি ইন্দ্ৰিয়, মন, বুদ্ধি আদি সূক্ষ্মাতিসূক্ষ্ম অনন্ত গুণসম্পন্ন জগতখন কাৰণৰূপ প্ৰকৃতিৰ পৰাই উৎপত্তি হৈছে। পুৰুষ বা জড় পৰমাণু বিশ্বজগতৰ কাৰণ হ'ব নোৱাৰে।

ব্যুৎপত্তিগতভাৱে 'প্ৰকৃতি' শব্দটো 'প্ৰ-কৃ+তি'ৰ পৰা নিষ্পন্ন হৈছে। প্ৰ-কৃ+তি = প্ৰকৃতি। ইয়াৰ অৰ্থ হ'ল, যাৰ কোনো বিকৃতি নাই সিয়ে প্ৰকৃতি। বাচস্পতি মিশ্ৰে প্ৰকৃতিৰ লক্ষণ প্ৰসংগত ~~কৈছে~~ কৈছে, 'প্ৰকৰোতি ইতি প্ৰকৃতি : প্ৰধানম্। সত্ত্বৰজস্তমসাং সাম্যাৱস্থা।" অৰ্থাৎ যি প্ৰ-কৰোতি বা যি প্ৰকৃষ্ট কাৰণ সি প্ৰকৃতি। প্ৰকৃতি হ'ল সত্ত্ব, ৰজঃ আৰু তমঃ গুণৰ সাম্যাৱস্থা। সাংখ্য মতে, অন্যান্য কাৰণৰ তুলনাত উপাদান কাৰণেই প্ৰকৃষ্ট কাৰণ। গতিকে এই জগতৰ উপাদান কাৰণেই প্ৰকৃতি। এই প্ৰকৃতিৰ স্বৰূপ হ'ল সত্ত্ব-ৰজঃ-তমঃ গুণৰ সাম্যাৱস্থা। গুণসমূহৰ সাম্যাৱস্থাই স্বৰূপ পৰিণাম আৰু গুণৰ অসাম্যাৱস্থাই বিৰূপ পৰিণাম। জগতৰ মূল কাৰণ হিচাপে প্ৰকৃতিক শক্তিৰূপা, মূলপ্ৰকৃতি, আদ্যাশক্তি বুলিও উল্লেখ কৰা হয়। প্ৰকৃতি সমগ্ৰ জগতৰ কাৰণজাত প্ৰথম মৌলিক তত্ত্ব, সেইকাৰণে প্ৰকৃতিক প্ৰধান বোলা হয়। প্ৰকৃতি অব্যক্ত, কাৰণ প্ৰকৃতিত সমস্ত কাৰ্য অব্যক্ত ৰূপত বিদ্যমান।

### প্ৰকৃতিৰ অস্তিত্ব প্ৰমাণ (Proof for the existence of Prakriti) :-

প্ৰকৃতিৰ অস্তিত্ব প্ৰমাণৰ উদ্দেশ্যে ঈশ্বৰকৃষ্ণ তেওঁৰ 'সাংখ্যকাৰিকা'ৰ পঞ্চদশ কাৰিকাত প্ৰকাশ কৰিছে এনেদৰে :

"ভেদানাং পৰিমাণাৎ সমন্বয়াৎ শক্তিতঃ প্ৰবৃত্তেশ্চ।
কাৰণ কাৰ্য বিভাগাৎ - অবিভাগাৎ বৈশ্বৰূপ্যস্য ॥"

ঈশ্বৰকৃষ্ণ প্ৰদত্ত উক্ত শ্লোকটোক বিশ্লেষণ কৰিলে প্ৰকৃতিৰ অস্তিত্ব প্ৰমাণৰ পাঁচটা যুক্তি পোৱা যায়। এই যুক্তিবোৰ তলত আলোচনা কৰা হ'ল -

১) ভেদানাং পৰিমাণাৎ : জগতৰ যাৱতীয় বস্তু হৈছে ব্যক্ত পদাৰ্থ। ব্যক্ত পদাৰ্থ মাত্ৰেই এক অব্যক্ত কাৰণ আছে। কাৰণ জগতৰ সকলো পদাৰ্থই সীমিত, পৰিমিত, পৰতন্ত্ৰ, অব্যাপক, অনিত্য আৰু বহু। এইটো যুক্তিসিদ্ধ যে, সীমিতই অসীমক, পৰতন্ত্ৰই স্বতন্ত্ৰক, অনিত্যই নিত্যক বহুৱে একক নিৰ্দেশ কৰে।

২) সমন্বয়াৎ : জগতখন বৈচিত্ৰ্যপূৰ্ণ হ'লেও এই বিচিত্ৰ জাগতিক বস্তুবোৰৰ মাজত এক সমন্বয়াৎ লক্ষ্য কৰিব পৰা যায়। বস্তুমাত্ৰেই আমাৰ মাজত সুখ, দুখ বা মোহ উৎপন্ন কৰে। একেদৰে জীৱমাত্ৰেই সুখ, দুখ আৰু মোহত আচ্ছন্ন। সত্ত্বগুণৰ পৰা সুখ, ৰজোগুণৰ পৰা দুখ আৰু তমোগুণৰ পৰা মোহৰ উৎপন্ন হয়।

৩) শক্তিত: প্ৰবৃত্তেশ্চ : শক্তিবিহীন কাৰ্যৰ উৎপত্তি নহয়। উৎপত্তি শক্তিৰ দ্বাৰা নিয়ন্ত্ৰিত। গতিকে এই বৈচিত্ৰ্যময় জগত সৃষ্টিৰ আগত নিশ্চয় কোনো এক অব্যক্ত কাৰণশক্তিত সুপ্তাৱস্থাত আছিল।

৪) কাৰণকাৰ্য বিভাগাৎ :- সাংখ্য দৰ্শন মতে, কাৰণ আৰু কাৰ্যৰ মাজত একেই সময়তে ভেদ আৰু অভেদ বিদ্যমান থাকে। ব্যক্ত অৱস্থাত কাৰ্য কাৰণৰ ভেদ অনুভৱ হয়। সাংখ্য মতে, উৎপত্তিৰ পূৰ্বে কাৰ্য কাৰণত অব্যক্ত ৰূপত থাকে। কাৰণৰ পৰা কাৰ্যৰ উৎপত্তি হোৱাৰ ফলত অব্যক্ত কাৰণ ব্যক্তৰূপত অভিব্যক্ত হয়। ~~পৰিমাণ~~ পৰিণামপ্ৰাপ্ত সকলো বিষয় তেতিয়া কাৰণৰ পৰা ভিন্ন যেন বোধ হয়।

৫) অবিভাগাৎ বৈশ্বৰূপ্যস্য :- কাৰণ আৰু কাৰ্যৰ মাজত তাদাত্ম্য সম্বন্ধ বৰ্তমান। বিশ্বসৃষ্টিৰ সময়ত কাৰণৰ পৰা কাৰ্যৰ উৎপত্তি হয় আৰু প্ৰলয়ৰ সময়ত কাৰ্য কাৰণত বিলীন হৈ যায়।